অসমৰ ৰাইজৰ কণ্ঠ
অসম গণ পৰিষদ


জয় আই অসম

উজ্জীৱিত অগপ
উজ্জীৱিত আঞ্চলিকতাবাদ
উজ্জীৱিত অসম

# নিৰ্বাচনী ইস্তাহাৰ

## অসম গণ পৰিষদ

অসম বিধান সভাৰ নিৰ্বাচন
২৭ মাৰ্চ, ১ আৰু ৬ এপ্ৰিল, ২০২১



**শ্ৰদ্ধাভাজন ৰাইজ,**

জয় জয়তে ন-বহাগৰ প্ৰাক্‌ক্ষণত সমূহ অসমবাসী ৰাইজলৈ নৱবৰ্ষ আৰু আগন্তুক ৰঙালী বিহুৰ শুভেচ্ছা আৰু ওলগ জনালোঁ। আপোনালোক সকলোৱে জানে যে, এই নৱবৰ্ষৰ প্ৰাক্‌ক্ষণতে তিনিটা পৰ্য্যায়ত পঞ্চদশ বাৰৰ বাবে অসম বিধান সভাৰ নিৰ্বাচন অনুস্থিত হ'ব। অসমৰ পৰিৱৰ্তিত সামাজিক,সাংস্কৃতিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক বাতাবৰণৰ পৰিপ্ৰেক্ষিতত অসম আৰু খিলঞ্জীয়াৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে যিদৰে যোৱা চতুৰ্দ্দশ বিধান সভাৰ নিৰ্বাচনত 'অসম গণ পৰিষদ' দলে 'ভাৰতীয় জনতা পাৰ্টি'ৰ লগত মিত্ৰতা কৰি নিৰ্বাচনত অৱতীৰ্ণ হৈছিল ঠিক সেইদৰেই আগন্তুক নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। আপোনালোক সকলোৱে আৰ্শীবাদ লৈ যোৱাটো নিৰ্বাচনৰ পিছত এই মিত্ৰজোটৰ চৰকাৰখনে পাচঁবছৰীয়া কাৰ্য্যকাল সম্পূৰ্ণ কৰি পুনৰ ৰাইজৰ আৰ্শীবাদ বিচাৰিছোঁ আৰু আশা কৰিছোঁ আপোনালোকে পুনৰ আমাক আপোনালোকৰ সেৱা কৰাৰ সুবিধা প্ৰদান কৰিব।

অসমৰ পৰিৱৰ্তিত পৰিস্থিতিত অসম গণ পৰিষদ দলে জোটবন্ধনৰ ৰাজনীতি কৰিবলগীয়া হলেও কেতিয়াও অসম আৰু খিলঞ্জীয়াৰ স্বাৰ্থ ৰক্ষাৰ ক্ষেত্ৰত আপোচ কৰা নাই আৰু ভৱিষ্যতলৈও নকৰে। মূলতঃ ভ্ৰষ্টাচাৰী, বিভেদকামী কংগ্ৰেছৰ শাসন ওফৰাবলৈ যোৱাটো নিৰ্বাচনৰ আগতে এই জোঁটবন্ধন হৈছিল আৰু আমাৰ সেই উদ্দেশ্য সফল হৈছিল। জোঁটবন্ধনৰ মূল উদ্দেশ্য এইবাৰো সেই একেই, কংগ্ৰেছক অসমৰ পৰা উৎখাত কৰা। জোট বন্ধনৰ অন্য দুটা মূল উদ্দেশ্যও আমাৰ একেই আছে। (ক) অসমৰ খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ সুৰক্ষাৰ বাবে অসম চুক্তিৰ ৰূপায়ণ তথা চুক্তিৰ ছয় নম্বৰ দফাৰ অধীনত খিলঞ্জীয়াৰ সাংবিধানিক সুৰক্ষা, (খ) কৃষি আৰু উদ্যোগৰ সমন্বিত দ্ৰুত বিকাশৰ যোগেদি অসমৰ লাখ লাখ নিবনুৱাৰ সংস্থাপনৰ পথ মুকলি কৰা।

যোৱা পাঁচ বছৰত আমি যথেষ্ট অগ্ৰগতি লাভ কৰিছোঁ আৰু আশা কৰিছোঁ ৰাইজে ইয়াৰ উচিত বিচাৰ কৰিব আৰু আমাক সেই উদ্দেশ্য সম্পূৰ্ণ ভাৱে সফল কৰাৰ বাবে সুযোগ প্ৰদান কৰিব।

এই খিনিতে আমি পুনৰ দোহাৰিব খোজো যে, ভাৰতীয় জনতা পাৰ্টিৰ সৈতে জোট বান্ধি নিৰ্বাচন খেলা বাবে আমি কিছু এৰা ধৰা কৰিবলগীয়া হলেও 'অসম গণ পৰিষদ' দল ইয়াৰ লক্ষ্য আৰু উদ্দেশ্যৰ পৰা অলপো ফালৰি কাটি অহা নাই আৰু নাহে। অসম আৰু খিলঞ্জীয়াৰ স্বাৰ্থ সুৰক্ষাৰ বাবেই অসম গণ পৰিষদ দলৰ জন্ম। এক সুদীৰ্ঘ গণ আন্দোলনৰ পিছত যি লক্ষ্য আৰু উদ্দেশ্যত আগত ৰাখি অসম চুক্তি স্বাক্ষৰিত হোৱাৰ পিছত এই দলৰ জন্ম হৈছিল সেই লক্ষ্য আৰু উদ্দেশ্য আজিও একেই অবিচলিত আছে। মাথো পৰিৱৰ্ত্তিত পৰিস্থিতিত অসম আৰু খিলঞ্জীয়াৰ স্বাৰ্থত, আঞ্চলিকতাবাদৰ ভেটি সমৃদ্ধ কৰাৰ স্বাৰ্থত এই জোটবন্ধন গঠিত হৈছে আৰু আমি আশা কৰোঁ আপোনালোক সকলোৱে মৰম আৰু সহযোগত এইবাৰৰ নিৰ্বাচনত আঞ্চলিকতাবাদৰ ধ্বজা আৰু অধিক মজবুত হ'ব। অসম আন্দোলনৰ শত শত শ্বহীদলৈ আমি শ্ৰদ্ধা নিবেদন কৰিছো আৰু তেওঁলোক আত্মবলিদান আৰু হাজাৰ হাজাৰ জনতাৰ নিস্বাৰ্থ ত্যাগৰ প্ৰতি সন্মান জনাই অসম আৰু খিলঞ্জীয়াৰ স্বাৰ্থত পুনৰ জোঁট বন্ধনৰ জৰিয়তে আগন্তুক নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হৈছো। আমাৰ লক্ষ্য আৰু উদ্দেশ্য হৈছে এখন শান্তিপূৰ্ণ আৰু সমৃদ্ধিশালী অসম। ইয়াৰ বাবে প্ৰথম আৰু প্ৰধান কাম হৈছে অসমৰ দীৰ্ঘদিনীয়া সমস্যাসমূহ সমাধান।

**অসমৰ জ্বলন্ত সমস্যাসমূহ -**

বিদেশী নাগৰিকৰ সমস্যাটোৱেই অসমৰ মূল সমস্যা যদিও ইয়াৰ লগতে আনুষঙ্গিক ভাৱে আন বহুতো সমস্যাই আমাক জুৰুলা কৰি আহিছে। এনে আনুষঙ্গিক সমস্যাবোৰ হ'ল নিবনুৱা সমস্যা, বানপানী আৰু গড়াখহনীয়াৰ সমস্যা, কৃষি সমস্যা, জনগোষ্ঠীয় অস্তিত্বৰ সংকট, মাতৃভাষাৰ সংকট, শিক্ষাৰ সমস্যা, স্বাস্থ্যৰ সমস্যা, পৰিবেশ প্ৰদুষণৰ সমস্যা আদিয়েই প্ৰধান।

### অসম চুক্তি ৰূপায়ণ -

বিদেশী নাগৰিকৰ সমস্যাটোৱেই হৈছে অসমৰ প্ৰধান সমস্যা। এই সমস্যা সমাধানৰ বাবেই অসম চুক্তি সম্পাদিত হৈছিল। অসম চুক্তিৰ সফল ৰূপায়ণৰ বাবেই অসম গণ পৰিষদ দলৰ জন্ম। গতিকে অসম চুক্তিৰ পূৰ্ণাঙ্গ ৰূপায়ণ আমাৰ দলৰ প্ৰথম আৰু প্ৰধান লক্ষ্য আৰু কৰ্তব্য। অসম চুক্তিৰ ছয় নং দফাৰ অধীনত খিলঞ্জীয়া মানুহখিনিৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক অধিকাৰসমূহৰ সুৰক্ষাৰ ব্যৱস্থা কৰাৰ বাবে আমাৰ দল দায়বদ্ধ।

খিলঞ্জীয়া মানুহখিনিৰ ভূমিৰ অধিকাৰ সুৰক্ষিত কৰাৰ বাবে পৰামৰ্শ দিবলৈ গঠন কৰি দিয়া সমিতিৰ পৰামৰ্শসমূহ কাৰ্য্যকৰীকৰণ হোৱাটো আমি বিচাৰিম। অবৈধ অনুপ্ৰৱেশকাৰীৰ হাতৰ পৰা অসমৰ কৃষি ভূমি মুক্ত হবই লাগিব আৰু ইয়াৰ বাবে কঠোৰ আইনী ব্যৱস্থা কাৰ্যকৰী কৰা হ'ব।

অসম চুক্তিৰ আধাৰত অবৈধ অনুপ্ৰৱেশ চিনাক্তকৰণ আৰু বহিষ্কৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত হেঁচা অব্যাহত থাকিব। লগতে অসম চুক্তিৰ আধাৰত অবৈধ বিদেশীমুক্ত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ উন্নীতকৰণ সম্পূৰ্ণ কৰিবলৈও হেচা দিয়া হব।

### নিবনুৱা সমস্যা -

নিবনুৱা সমস্যা অসমৰ এক জ্বলন্ত সমস্যা। অকল চৰকাৰী খণ্ডৰ নিয়োগ ব্যৱস্থাৰ দ্বাৰা অসমৰ সকলো খিলঞ্জীয়া শিক্ষিত যুৱক-যুৱতীক নিয়োগৰ ব্যৱস্থা কৰাটো সম্ভৱ নহয়। সেয়ে অসম গণ পৰিষদ দলে স্থানীয় সম্পদৰ ভিত্তিত উদ্যোগ স্থাপনৰ লগতে ব্যৱসায় বাণিজ্য আদিৰ জৰিয়তে কৰ্ম-সংস্থাপনত গুৰুত্ব আৰোপ কৰিছে আৰু ইয়াৰ বাবে সুস্থ নীতি উদ্ভাৱন আৰু ৰূপায়ণত গুৰুত্ব প্ৰদান কৰিব। অসমৰ প্ৰাকৃতিক সম্পদ সমূহত ৰাজ্যৰ অধিকাৰ স্থাপিত হলে নিজাববীয়াকৈ এনে ব্যৱস্থা কৰাত সুযোগ আহিব। তাৰ বাবে দলে কেন্দ্ৰীয় চৰকাৰৰ ওপৰত হেচাঁ প্ৰয়োগ কৰিব।

### অৰ্থনৈতিক উন্নয়ণ -

অৰ্থনৈতিক উন্নয়ণ অবিহনে সামাজিক, সাংস্কৃতিক উন্নয়ণ সম্ভৱ নহয়। কিন্তু অসমৰ আৰ্থিক অৱস্থা পিছ পৰা। আমাৰ মিত্ৰজোঁটৰ চৰকাৰে অৰ্থনৈতিক উন্নয়ণৰ বাবে যোৱা পাঁচ বছৰত বহুতো কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰিছে। অসম গণ পৰিষদ দলে ৰাজ্যখনৰ ভৱিষ্যত অৰ্থনৈতিক উন্নয়ণৰ বাবে সুনিৰ্দ্দিষ্ট পৰিকল্পনা যুগুত কৰি সেয়া কাৰ্য্যকৰীকৰণৰ ব্যৱস্থা কৰিব।

### কৃষি উন্নয়ণ -

কৃষি উন্নয়ণ বাদ দি অসমৰ অৰ্থনৈতিক উন্নয়ণৰ কথা ভাবিব নোৱাৰি। অসমত কৃষি কৰ্মৰ উন্নতি আৰু কৃষকৰ সমস্যা সমাধান কৰিবৰ বাবে অসম গণ পৰিষদ দল বদ্ধপৰিকৰ। কৃষি উন্নয়ণৰ বাবে আধুনিক আহিলা পাতি আৰু বৈজ্ঞানিক পদ্ধতিৰে কৃষি কৰ্মত গুৰুত্ব দিব। পাৰিপাৰ্শ্বিক সুৰক্ষাৰ বাবে জৈৱিক পদ্ধতিৰে কৃষি কাৰ্য কৰাত গুৰুত্ব আৰোপ কৰিব। কৃষকে সহজে ঋণ লাভ কৰাৰ বাবে নীতি প্ৰৱৰ্তন কৰা হ'ব। কৃষি ভিত্তিক উদ্যোগ, মীন পালন আৰু পশুপালনত স্থানীয় ক্ষুদ্ৰ উদ্যোগীক বিশেষ সাহাৰ্য্য আগবঢ়োৱা হ'ব। গাখীৰ, মাছ, মাংস, কণীকে আদি কৰি সকলো কৃষিজাত সামগ্ৰীৰ উৎপাদনৰ ক্ষেত্ৰত ৰাজ্যখন স্বনিৰ্ভৰশীল হিচাপে গঢ়ি তুলিবলৈ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

### পথাৰো আমাৰ, বজাৰো আমাৰ -

পথাৰো আমাৰ, বজাৰো আমাৰ নীতি স্বনিৰ্ভৰশীলতাৰ অন্যতম পদক্ষেপ হ'ব। আমাৰ ৰাজ্যত উৎপাদিত

সকলো সামগ্ৰীৰে ৰাজ্যৰ বজাৰ দখল কৰাৰ লগতে উত্তৰ-পূব আৰু চুবুৰীয়া ৰাজ্য তথা ৰাষ্ট্ৰৰ বজাৰ দখল, সম্প্ৰসাৰিত কৰি কৃষক তথা উৎপাদকসকলক উচিত মূল্য প্ৰদানত সৰ্বাধিক গুৰুত্ব দিয়া হ'ব। মধ্যভোগীৰ দপদপনী নাইকীয়া কৰি এক সৰলীকৃত ব্যৱস্থাৰে যুৱক-যুৱতী সকলক ইয়াৰ প্ৰতি আকৰ্ষিত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

## বানপানী নিয়ন্ত্ৰণ-

বানপানীৰ সমস্যা অসমৰ অন্য এক প্ৰধান সমস্যা। অসম গণ পৰিষদ দলে এই দলৰ জন্মলগ্নৰে পৰা বানপানীৰ সমস্যাটোক ৰাষ্ট্ৰীয় সমস্যা হিচাপে গণ্য কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰি আহিছে। প্ৰতিবছৰে বানপানীয়ে অসমৰ হাজাৰ হাজাৰ বিঘা কৃষিভূমি ক্ষতিগ্ৰস্ত কৰে। বনাঞ্চলৰ ক্ষতি সাধন কৰে। গৰাখহনীয়াত হাজাৰ হাজাৰ বৰ্গ কিলোমিটাৰ মাটি ব্ৰহ্মপুত্ৰকে ধৰি আন সৰু বৰ নদীৰ বুকুত জাহ যায়। বানপানীৰ সমস্যা সমাধানৰ বাবে বিশেষকৈ ব্ৰহ্মপুত্ৰ আৰু বৰাক এই দুই নদীৰ পানী নিয়ন্ত্ৰণ কৰাৰ বাবে উন্নত প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰৰ ওপৰত এই দলে গুৰুত্ব আৰোপ কৰিব। প্ৰয়োজন সাপেক্ষে বিশেষজ্ঞ সমিতি গঠন কৰি অসমৰ বানপানী নিয়ন্ত্ৰণৰ সু বন্দোবস্তৰ বাবে পৰামৰ্শ বিচৰা হ'ব। আনহাতে বান বিধস্ত ৰাইজক স্থায়ী ভাৱে সংস্থাপনৰ সম্ভৱপৰ সকলো ব্যৱস্থা গ্ৰহণ কৰিব।

## ভাষা আৰু সংস্কৃতিৰ উন্নয়ণ -

ভাষা আৰু সংস্কৃতিক সংকট বৰ্তমান এটা আৰ্ন্তজাতিক সমস্যা। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগত গোলকীকৰণৰ প্ৰভাৱে থলুৱা ভাষা সংস্কৃতিৰ সংকট কঢ়িয়াই আনিছে। অসমত বিদেশী প্ৰব্ৰজনকাৰী সকলেও ভাষা-সংস্কৃতিৰ সংকট সৃষ্টি কৰিছে। অসমত এফালে সমূহীয়া ভাষা 'অসমীয়া'ৰ সংকট আনফালে অন্যান্য থলুৱা জনগোষ্ঠীয় ভাষাৰ সংকট। সেইদৰে সংস্কৃতিৰ ক্ষেত্ৰটো একেই কথা। অসমৰ অন্যান্য থলুৱা ভাষা - সংস্কৃতিৰ উন্নয়ণ হলে অসমীয়া ভাষা-সংস্কৃতিৰ উন্নয়ণ হ'ব আৰু অসমীয়া ভাষা-সংস্কৃতিৰ উন্নয়ণ হলে অন্যান্য থলুৱা ভাষা-সংস্কৃতিৰ উন্নয়ণ হব। অসম গণ পৰিষদ দলে অসমীয়া ভাষা -সংস্কৃতিৰ লগতে সকলো থলুৱা ভাষা সংস্কৃতিৰ উন্নয়ণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব। ভাষা-সংস্কৃতিৰ ওপৰত গৱেষণা তথা ৰক্ষণাবেক্ষণৰ বাবে বিশেষ ব্যৱস্থাৰ ওপৰত গুৰুত্ব দিয়া হ'ব।

## শিক্ষা -

উপযুক্ত শিক্ষা অবিহনে আৰ্থ সামাজিক দিশত উন্নয়ণ সম্ভৱ নহয়। সেয়ে অসম গণ পৰিষদ দলে শিক্ষাৰ ব্যাপক সংস্কাৰৰ পক্ষপাতি। বৃত্তিমুখী আৰু কৰ্মসংস্থাপনমুখী শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত দলে গুৰুত্ব আৰোপ কৰিব। উচ্চ শিক্ষাৰ অধিক প্ৰসাৰ, চিকিৎসা-বিজ্ঞান, অভিযান্ত্ৰিক আৰু কাৰিকৰী শিক্ষাৰ বাবে চৰকাৰী খণ্ডৰ লগতে ব্যক্তিগত খণ্ডক উদগনি যোগোৱাত গুৰুত্ব আৰোপ কৰা হ'ব। চৰকাৰী খণ্ডৰ মাতৃভাষাৰ শিক্ষানুস্থানমূহত দশম শ্ৰেণীলৈ এটা বিষয় হিচাপে অসমীয়া ভাষা বা অসমৰ অন্যান্য থলুৱা ভাষাৰ শিক্ষা বাধ্যতামূলক কৰা হ'ব। মাতৃভাষাৰ চৰকাৰী বিদ্যালয়ৰ আন্তঃগাঠনি আৰু শৈক্ষিক পৰিবেশ উন্নত কৰাত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

## স্বাস্থ্য -

স্বাস্থ্য শিতানত যঠেষ্ট উন্নতি হোৱা স্বত্বেও আমাৰ ৰাজ্যৰ পৰা প্ৰতিবছৰে হাজাৰ হাজাৰ ৰোগী বাহিৰলৈ চিকিৎসাৰ বাবে যায় বা যাবলগীয়া হৈছে। আনহাতে ক'ৰণাৰ দৰে অতিমাৰীয়ে গোটেই বিশ্বতে ত্ৰাসৰ সৃষ্টি কৰাৰ ফলত যি ধৰণৰ পৰিস্থিতিৰ সন্মুখীন হবলগীয়া হৈছিল তাক সকলো জনসাধাৰণে হৃদয়ঙ্গম কৰিব পাৰিছে। গতিকে অসমৰ সকলো চিকিৎসা মহাবিদ্যালয়ত আধুনিক সা-সুবিধা পৰ্য্যাপ্ত কৰাৰ ব্যৱস্থা কৰা হ'ব। সকলো বিলাক চৰকাৰী চিকিৎসালয়ত পৰ্য্যাপ্ত পৰিমাণৰ যন্ত্ৰপাতি তথা ঔষধ পোৱাৰ ব্যৱস্থা কৰা হ'ব। প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ সমূহত চিকিৎসক তথা অন্যান্য কৰ্মচাৰীৰ সংখ্যা বঢ়োৱা হ'ব আৰু চিকিৎসকৰ

উপস্থিতি নিয়মীয়া হোৱাটো নিশ্চিত কৰা হ’ব।

## পৰিবেশ সংৰক্ষণ -

সাম্প্ৰতিক অৱস্থাত পৰিবেশ সংৰক্ষণত গোটেই বিশ্বতে গুৰুত্ব আৰোপ কৰা হৈছে। পৰিবেশ সংৰক্ষণৰ অধিকাৰ বৰ্তমান ভাৰতবৰ্ষত এক স্বীকৃত মৌলিক অধিকাৰ। সেয়ে বনাঞ্চল আৰু বন্যপ্ৰাণীসমূহৰ সুৰক্ষা অতি প্ৰয়োজনীয়। অসমৰ বনাঞ্চল সমূহত ইতিমধ্যে বহু বেদখল হৈছে। এনে অবৈধ বেদখলকাৰীসকলক উচ্ছেদ কৰা হ’ব। বনাঞ্চল আৰু বন্যপ্ৰাণীসমূহৰ সুৰক্ষাৰ বাবে প্ৰয়োজন অনুসৰি নতুন আইন প্ৰণয়ন কৰা হব। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত থকা এশিঙীয়া গড়ক বিশেষবাৰে সুৰক্ষিত কৰি ৰক্ষাৰ ব্যৱস্থা কৰা হ’ব।

পৰিবেশ সংৰক্ষণৰ লগত প্ৰদুষণ নিয়ন্ত্ৰণৰ কথাটোও জড়িত হৈ আছে। প্ৰদুষণ নিয়ন্ত্ৰণৰ বাবে থকা আইনসমূহ কঠোৰ বাৰে বলবৎ কৰাৰ ব্যৱস্থা কৰা হব। ইয়াৰোপৰি পৰিবেশ সংৰক্ষণৰ বাবে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰাত গুৰুত্ব দিয়া হ’ব।

## অনুসুচীত জাতি, অনুসুচীত জনজাতি, অন্যান্য পিছপৰা শ্ৰেণী আৰু খিলঞ্জীয়া মুছলমান-

সংবিধানৰ ষষ্ঠ অনুসুচীত বিটিআৰ, কাৰ্বিআংলং আৰু ডিমাহাচাও স্বায়ত্ব পৰিষদ গঠিত হলেও ইয়াৰ বাহিৰত থকা জনজাতি সকলৰ বাবেও সংবিধানৰ ভিতৰত শিক্ষা, চাকৰি বাকৰি আদিৰ বাবে সংৰক্ষণৰ ব্যৱস্থা আছে। সেইদৰে অনুসূচীত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ বাবেও আছে। এই অন্যান্য পিছপৰা শ্ৰেণীৰ মাজত অসমৰ কিছু খিলঞ্জীয়া মুছলমানলোক আছে যদিও সকলো খিনি সামৰি লোৱা হোৱা নাই। এই খিলঞ্জীয়া মুছলমানসকলৰ কাৰণেও অসম গণ পৰিষদ দলে বিশেষ আচঁনিৰ ব্যৱস্থা কৰিব। লগতে অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে বিধান সভা আৰু লোকসভা তথা ৰাজ্যসভাত আসন সংৰক্ষণৰ বাবে সংবিধান সংশোধনৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰিব। লগতে সংৰক্ষণৰ ক্ষেত্ৰত থকা আসোঁৱাহ সমূহ দূৰ কৰা হ’ব।

## অৰ্থনৈতিক ভাৱে পিছপৰা শ্ৰেণীৰ উন্নয়ণ-

ভাৰতীয় সংবিদানৰ ১০৩ তম সংশোধনৰ দ্বাৰা সংৰক্ষণৰ আওতাত নথকা অৰ্থনৈতিকভাৱে পিছপৰা শ্ৰেণীৰ বাবে শিক্ষা আৰু চাকৰিৰ ক্ষেত্ৰত ১০ শতাংশ সংৰক্ষণৰ ব্যৱস্থা কৰিছে। ইতিমধ্যে ইয়াৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত গোচৰ চলি আছে। ইয়াৰ মীমাংসা হলে অসম গণ পৰিষদ দলে অসমত এই সংৰক্ষণৰ ব্যৱস্থা কৰিব। লগতে তেওঁলোকৰ আৰ্থিক উন্নয়ণৰ বাবে আচঁ নি প্ৰস্তুত কৰি ৰূপায়ণৰ ব্যৱস্থা কৰা হ’ব।

## চাহ জনগোষ্ঠীৰ বাবে কাৰ্য্যসূচী-

চাহ জনগোষ্ঠীৰ লোকসকল অসমীয়া জাতিৰ এক অভিন্ন অঙ্গ হিচাপে পৰিগণিত হৈছে। এই লোকসকলৰ আৰ্থ সামাজিক উন্নয়ণৰ বাবে বিশেষ আচঁনি গ্ৰহণ কৰা হ’ব। স্বাস্থ্য, শিক্ষা, গৃহ, দা-দৰমহা আৰু মজুৰিৰ সমস্যা সমাধানৰ বাবে বিশেষ কাৰ্য্যসূচী গ্ৰহণ কৰা হ’ব।

## চৰ এলেকাৰ সংখ্যালঘু সম্প্ৰদায়ৰ উন্নয়ণ-

অসমৰ চৰ এলেকাত বসবাস কৰি অহা সংখ্যালঘু সম্প্ৰদায়ৰ উন্নয়ণৰ কাৰণে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হ’ব। তেওঁলোকৰ আৰ্থ সামাজিক উন্নতিৰ বাবে শিক্ষা, যাতায়ত, প্ৰাথমিক স্বাস্থ্য, কৃষিৰ কৰ্মৰ আধুনিকীকৰণ, খোৱাপানী, বাসগৃহ আদিৰ উন্নয়ণৰ বাবে আচঁনি গ্ৰহণ কৰা হ’ব।

## শিশু আৰু মহিলাৰ বাবে বিশেষ আচঁনি-

শিশু আৰু মহিলা সকলৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে বিশেষ আচঁনি প্ৰস্তুত কৰা হ’ব। শিশু আৰু মহিলাৰ বিৰুদ্ধে

সংঘটিত হোৱা অপৰাধ ৰোধৰ ক্ষেত্ৰত থকা আইন আৰু ইয়াৰ ব্যৱস্থা পৰ্য্যালোচনা কৰি এনে অপৰাধ সম্পূৰ্ণ ভাৱে সমাজৰ পৰা নিৰ্মূল কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ইয়াৰ উপৰিও শিশু আৰু মহিলাৰ পৰিপুষ্টিহীনতা দূৰীকৰণৰ বাবে নতুন আচঁনি ৰূপায়িত কৰা হ'ব। সকলো মহিলালৈ বিনামূলীয়া কেঞ্চাৰ স্ক্ৰিনিং টেষ্ট আগবঢ়োৱা হ'ব।

### জ্যেষ্ঠ নাগৰিক আৰু বিশেষভাৱে সক্ষম লোকৰ বাবে আচঁনি-

জ্যেষ্ঠ নাগৰিক আৰু বিশেষ ভাৱে সক্ষম লোক সকল সুৰক্ষাৰ বাবে বিশেষ আচঁনি হাতত লোৱা হ'ব। জ্যেষ্ঠ নাগৰিকসকলৰ স্বাস্থ্য তথা নিৰাশ্ৰয় জ্যেষ্ঠ নাগৰিকসকলৰ বাবে আশ্ৰয় তথা ভৰণ পোষণৰ ব্যৱস্থা কৰা হ'ব। ইয়াৰ উপৰিও ল'ৰা-ছোৱালীয়ে বৃদ্ধাৱস্থাত পিতৃ-মাতৃৰ ভৰণ-পোষণৰ সম্পূৰ্ণ দায়িত্ব লোৱাৰ বাবে আইন প্ৰস্তুত কৰা হব।

বিশেষভাৱে সক্ষম ল'ৰা-ছোৱালীৰ শিক্ষা আৰু স্বাস্থ্যৰ বাবে বিশেষ আচঁনি ৰূপায়ণৰ ব্যৱস্থা কৰা হ'ব। চৰকাৰী চাকৰিৰ ক্ষেত্ৰত তেওঁলোকৰ সংৰক্ষণৰ পূৰ্ণ বলবৎ হোৱাটো নিশ্চিত কৰা হ'ব।

### ছাত্ৰ আৰু যুৱ কল্যাণ -

কৰুণাৰ দৰে অতিমাৰীৰ বিভীষিকাৰ পৰিপ্ৰেক্ষিতত ছাত্ৰ-ছাত্ৰীসকলৰ স্বাস্থ্যৰ বাবে বিশেষ আচঁনিৰ প্ৰয়োজন। ইয়াৰ গুৰুত্ব উপলব্ধি কৰি সকলো চৰকাৰী আৰু বেচৰকাৰী শিক্ষানুষ্ঠানত স্বাস্থ্য ৰক্ষাৰ নিয়ম তথা পৰিষ্কাৰ পৰিছন্নতা বজাই ৰখা আৰু নিয়মিত ভাৱে স্বাস্থ্য পৰীক্ষা কৰা তথা কৰুণাৰ প্ৰতিষেধক ভেক্সিন ছাত্ৰ-ছাত্ৰী সকলক বিনামূলীয়াকৈ দিয়াৰ ব্যৱস্থা কৰা হ'ব।

নতুন শিক্ষানীতিৰ আধাৰত সৰ্বভাৰতীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত ফেৰ মাৰিব পৰাকৈ ছাত্ৰ-ছাত্ৰীক প্ৰস্তুত কৰি তুলিবলৈ সুযমভাৱে নতুন পাঠ্যক্ৰম প্ৰস্তুত কৰা হব। ছাত্ৰ-ছাত্ৰীসকলৰ বাবে থকা জলপানীৰ পৰিমাণ বঢ়োৱা হ'ব। অৰ্থনৈতিকভাৱে দুৰ্বল ছাত্ৰ-ছাত্ৰীসকলৰ বাবেও জলপানীৰ বিশেষ ব্যৱস্থা কৰা হ'ব।

ছাত্ৰ-ছাত্ৰী তথা যুৱক-যুৱতীসকলৰ মাজত মাদক দ্ৰব্য, নিয়ন্ত্ৰণ আৰু অপৰাধ নিয়ন্ত্ৰণৰ বাবে সজাগতা সৃষ্টিৰ বাবে কাৰ্য্যব্যৱস্থা লোৱা হ'ব। এনে অপৰাধৰ ক্ষেত্ৰত থকা আইনসমূহ অধিক কঠোৰভাৱে বলবৎ কৰা হ'ব। দক্ষতা বিকাশৰ ওপৰত গুৰুত্ব প্ৰদান কৰি প্ৰতিটো ব্লকতে দক্ষতা বিকাশ কেন্দ্ৰ স্থাপন কৰা হ'ব।

### ক্ৰীড়া আৰু সাংস্কৃতিক কাৰ্য্যসূচী -

সকলো ধৰণৰ খেলা-ধূলাৰ আন্তঃগাঠনি উন্নত কৰা হ'ব। বিশেষ পাৰদৰ্শিতা দেখুওৱা ছাত্ৰ-ছাত্ৰী বা যুৱক-যুৱতীৰ প্ৰশিক্ষণৰ বাবে বিশেষ আচঁনি ৰূপায়িত কৰা হ'ব।

সাংস্কৃতিক উন্নয়ণৰ বাবে নতুন সাংস্কৃতিক নীতি বিশেষকৈ অপেচাদাৰী/ পেচাদাৰী নাট্যকৰ্মীসকলক সকাহ দিব পৰাকৈ এক বিশেষ **নাট্য** নীতি প্ৰস্তুত কৰি কাৰ্য্যকৰী কৰা হ'ব। ৰাজ্যখনৰ বাবে গৌৰৱ কঢ়িয়াই অনা শিল্পী, সাহিত্যিক, ক্ৰীড়াবিদ, সংগঠকক পেঞ্চন আৰু প্ৰয়োজনীয় চিকিৎসা সাহাৰ্য্য দিয়াৰ বাবে এক স্থায়ী আচঁনি কাৰ্য্যকৰী কৰি তাক ক্ষীপ্ৰতৰ কৰা হ'ব।

### উদ্যোগ আৰু যাতায়ত -

ৰাজ্যখনত উদ্যোগিক বিকাশ ক্ষীপ্ৰত ৰ কৰি তোলাৰ বাবে উদ্যোগিক বিকাশৰ আন্তঃগাঁঠনি সৰল কৰি তোলাত গুৰুত্ব আৰোপ কৰা হ'ব। থলুৱা ব্যক্তিগত খণ্ডৰ উদ্যোগীসকলক ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ নিৰ্মাণৰ ক্ষেত্ৰত উৎসাহিত তথা আৰ্থিক বাৱে সহায় কৰা হ'ব।

উদ্যোগিক বিকাশৰ ক্ষেত্ৰত অন্তৰায় হৈ ৰোৱা পৰিবহন ব্যৱস্থাৰ উন্নয়ণক গুৰুত্ব দি স্থল পৰিবহনৰ লগতে জল, ৰেল আৰু আকাশীপথ পৰিবহনৰ আধুনিকীকৰণত গুৰুত্ব আৰোপ কৰা হ'ব। উচ্চ পৰ্য্যায়ৰ শিক্ষা প্ৰতিষ্ঠান উদ্যোগিক গৱেষণা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান সমূহ আধুনিকীকৰণ কৰি প্ৰয়োগিক দিশত গৱেষণামুখী কৰি তোলা তথা সুদক্ষ শ্ৰমিকৰ অভাৱ আঁতৰোৱাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

### প্ৰাকৃতিক সম্পদৰ অধিকাৰ-

আমাৰ ৰাজ্যখন প্ৰাকৃতিক সম্পদত চহকী হোৱা স্বত্বেও ইয়াৰ অধিকাৰ কেন্দ্ৰৰ হাতত থকা হেতুকে তাৰ পৰা আশা কৰা ধৰণে উপকৃত হ'ব পৰা নাই। গতিকে কয়লা, খাৰুৱাতেল আৰু অন্যান্য খনিজাত তথা বনজাত সম্পদৰ ওপৰত ৰাজ্যৰ অধিকাৰৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰা হ'ব।

### আন্তঃৰাজ্যিক সীমা বিবাদ-

অসমৰ সীমামূৰীয়া ৰাজ্যকেইখনৰ লগত থকা সীমা বিবাদৰ মীমাংসাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হব। আমাৰ মাটি অন্য ৰাজ্যক বেদখল কৰিব দিয়া নহ'ব।

### পঞ্চায়তীৰাজ আৰু ৰাজ্যৰ অধিক ক্ষমতা -

পঞ্চায়তীৰাজ ব্যৱস্থাৰ অংশ হিচাপে পঞ্চায়ত, পৌৰ সভা, পৌৰ নিগম, নিকায় সমূহত অধিক ক্ষমতাৰ বিকেন্দ্ৰীকৰণত গুৰুত্ব আৰোপ কৰা হব। ইয়াৰ লগতে ৰাজ্যক অধিক ক্ষমতা প্ৰদান কৰি যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা শক্তিশালী কৰি তুলিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰা হ'ব।

### দুৰ্নীতি নিবাৰণ-

দুৰ্নীতি নিবাৰণৰ বাবে অসম গণ পৰিষদ দলে নিকা, দায়বদ্ধ আৰু সক্ষম প্ৰশাসনৰ ব্যৱস্থা কৰিব। দুৰ্নীতিৰ বিৰুদ্ধে সমাজৰ সকলোস্তৰতে সজাগতা বৃদ্ধিৰ বাবে প্ৰয়াস কৰা হব। প্ৰশাসনিৰ স্বচ্ছতাৰ বাবে তথ্য প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগ কৰা হ'ব।

**আমাৰ দায়বদ্ধতা**

**সুৰক্ষিত আৰু শক্তিশালী অসম**

**জয় আই অসম**

## অসম গণ পৰিষদ

## ঐক্য, শান্তি, প্ৰগতি

অসম গণ পৰিষদৰ মুখ্য কাৰ্যালয়, গোপীনাথ বৰদলৈ পথ, আমবাৰী, গুৱাহাটী-৭৮১০০১ৰ পৰা সাধাৰণ সম্পাদক শ্ৰীমনোজ শইকীয়াৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত আৰু জ্ঞানম, গুৱাহাটী-৭৮১০০৬ত মুদ্ৰিত (সংখ্যা ১০,০০০)।